# গৌহাটি উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

কেছ নং : ফৌজদাৰী আপীল নং ২০০/২০১৫

মোঃ মইনুল হক আহমেদ @ মইনুল হক

পিতা: স্বৰ্গীয় কুতুবুদ্দিন আহমেদ, সাং: চিৰাখুণ্ডি গাওঁ

ডাক আৰু থানা: ৰঙিয়া, জিলা: কামৰূপ, অসম, পিন

বনাম

অসম ৰাজ্য

লোক অধিবক্তা, অসমৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা

আপীলকাৰীৰ অধিবক্তা : শ্ৰী এছ কে জৈন

উত্তৰদাতাৰ অধিবক্তা : লোক অধিবক্তা, অসম

মাননীয় শ্ৰীযুত ন্যায়াধীশ সুমন শ্যাম

মাননীয় শ্ৰীযুত ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়া

বিচাৰ আৰু আদেশ (মৌখিক)

তাৰিখ : ২৫-০৮-২০২১

(ন্যায়াধীশ সুমন শ্যাম)

আপীলকাৰীৰ হৈ বিদ্বান অধিবক্তা শ্ৰীযুত এছ.কে. জৈনৰ শুনা হল। ৰাজ্য চৰকাৰৰ হৈ অতিৰিক্ত লোক অধিবক্তা শ্ৰীমতী বি ভূঞাৰ ভাষ্যও শুনা হ'ল।

2. ১৯-০৫-২০১৫ তাৰিখৰ ৰায় আৰু আদেশৰ দ্বাৰা বিদ্বান ৰঙিয়াস্থিত কামৰূপ জিলাৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশে (এফটিচি) গোচৰ নং ২৭১/২০১০ৰ সন্দৰ্ভত আপীলকাৰী মোঃ মাইনুল হক আহমেদক তেওঁৰ বৌয়েক ফাতেমা বিবিক হত্যা কৰাৰ অপৰাধত দোষী সাব্যস্ত কৰি ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাৰ অধীনত আজীৱন সশ্ৰম কাৰাবাস আৰু লগতে ১০০০/- টকা জৰিমনা পৰিশোধ কৰিবলৈ আদেশ দিয়ে। বৰ্তমানৰ আপীল দাখিল কৰি ১৯-০৫-২০১৫ তাৰিখৰ ৰায় আৰু আদেশক প্ৰত্যাহ্বান জনোৱা হৈছে।

৩. নথিৰ পৰা দেখা যায় যে আপীলৰ বিচাৰাধীন অৱস্থাত আপীলকাৰীয়ে প্ৰথমবাৰৰ বাবে তেওঁৰ কৈশোৰ অৱস্থাৰ অজুহাত দেখুৱায় আৰু ফৌজদাৰী গোচৰ নং ২০০/২০১৫ৰ পৰা উদ্ভৱ হোৱা অন্তৱৰ্তীকালীন আপীল (ফৌজদাৰী) নং ৭৮২/২০১৭ আবেদন এই আদালতৰ সন্‌মুখত দাখিল কৰি তেওঁক কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) আইন, ২০০০ ৰ ধাৰা ২(কে)ৰ অৰ্থৰ ভিতৰত "কিশোৰ" ঘোষণা কৰিবলৈ প্ৰাৰ্থনা কৰিছিল এই ভিত্তিত যে ঘটনা সংঘটিত হোৱাৰ তাৰিখত, অৰ্থাৎ ১৩-০৪-১৯৯৩ তাৰিখে, আপীলকাৰীজনৰ বয়স ১৪ বছৰৰ তলত আছিল আৰু সেয়েহে তেওঁ এজন "কিশোৰ" আছিল। আপীলকাৰীয়ে দাবী কৰিছিল যে তেওঁৰ জন্মৰ তাৰিখ হ'ল ১৮-১২-১৯৭৯। ওপৰোক্ত কথা বিবেচনা কৰি, আপীলকাৰীৰ দ্বাৰা দাখিল কৰা অন্তৱৰ্তীকালীন আপীল (ফৌজদাৰী) নং ৭৮২/২০১৭ আবেদনত, এই ন্যায়ালয়ে ০৪-১২-২০১৭ তাৰিখে ৰঙিয়াস্থিত কামৰূপ জিলা আৰু সত্ৰ ন্যায়াধীশক, কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) নিয়ম, ২০০৭ৰ ১২নং নীতি অনুসৰি আপীলকাৰীয়ে এই সন্দৰ্ভত

কিশোৰ হিচাপে অজুহাত দেখুওৱাই দাখিল কৰা আবেদন সম্পৰ্কে তদন্ত কৰি প্ৰতিবেদন এখন দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। সেইমতে জিলা আৰু সত্ৰ ন্যায়াধীশে এক তদন্ত চলাই ২৭-০৩-২০১৮ তাৰিখৰ প্ৰতিবেদন দাখিল কৰে। ২৭-০৩-২০১৮ তাৰিখৰ তদন্তৰ প্ৰতিবেদন অনুসৰি, আপীলকাৰীৰ দাবী যে ঘটনাটো সংঘটিত হোৱাৰ তাৰিখত তেওঁ "কিশোৰ" আছিল, সেইটো শুদ্ধ বুলি পোৱা গৈছিল।

৪. ২৭-০৩-২০১৮ তাৰিখৰ তদন্তৰ প্ৰতিবেদন লক্ষ্য কৰি ২৪-০৪-২০১৮ তাৰিখে এই আদালতে অন্তৰৰ্তীকালীন আপীল (ফৌজদাৰী) নং ৭৮২/২০১৭ আবেদনত আদেশ দিছিল যে ঘটনাটোৰ দিনা, আপীলকাৰী কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) আইন,২০০০ৰ ধাৰা ২(কে)ৰ সংজ্ঞা অনুসৰি "কিশোৰ" আছিল।

৫. এই সম্পৰ্কে বাৰত কোনো বিতৰ্ক নাই যে, আপীলকাৰী কৈশোৰ হোৱাৰ ক্ষেত্ৰত ২৭-০৩-২৭ তাৰিখৰ আদেশত লিপিবদ্ধ হোৱা তথ্য,আইনৰ দৃষ্টিত চূড়ান্ত বুলি বিবেচিত হৈছে। গতিকে যুক্তিসংগতভাৱে অনুমান কৰিব পাৰি যে যদিহে আপীলকাৰীক ঘটনাৰ সময়ত "কিশোৰ" বুলি গণ্য কৰা হৈছিল, তেন্তে ৰঙিয়াত থকা কামৰূপ জিলাৰ বিদ্বান অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশৰ (এফটিচি),স্পষ্টভাৱে ৰঙিয়া থানাৰ গোচৰ নং ১১৬/১৯৯৩, ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ৰ অধীনত অভিযোগৰ বিচাৰ চলোৱাৰ আইনী কৰ্তৃত্ব নাছিল।

৬) (২০১০)৫ এছচিচি ৩৪৪ত প্ৰকাশিত ধৰমবীৰ বনাম ৰাজ্য চৰকাৰ (দিল্লীৰ এনচিটি) আৰু অন্যান্য গোচৰতো বিচাৰ সমাপ্ত হোৱাৰ পিছত আপীলকাৰী/অভিযুক্তৰ কিশোৰ হোৱাৰ ওপৰত একেধৰণৰ প্ৰশ্ন উত্থাপিত

হৈছিল। উক্ত গোচৰৰ আপীলকাৰীজনক ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাৰ অধীনত আজীৱন কাৰাবাস আৰু লগতে জৰিমনা পৰিশোধ কৰিবলৈ আদেশ দিয়া হৈছিল। যেতিয়া বিষয়টো গৈ উচ্চতম ন্যায়ালয় পালেগৈ, তাত কিশোৰ হিচাপে অজুহাত দেখুৱাই আবেদন উত্থাপন কৰা হৈছিল। কিশোৰ ন্যায় আইন, ১৯৮৬ৰ অধীনত আপীলকাৰীজন ঘটনা সংঘটিত হোৱাৰ তাৰিখত "কিশোৰ" নাছিল যদিও আদালতে জানিব পাৰে যে ঘটনা সংঘটিত হোৱাৰ তাৰিখত আপীলকাৰীয়ে ১৮ বছৰ সম্পূৰ্ণ কৰা নাছিল আৰু সেয়েহে আপীলকাৰী কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) ২০০০ আইনৰ অৰ্থৰ পৰিসৰৰ ভিতৰত এজন কিশোৰ আছিল। ২০০০ চনৰ আইনখনৰ লগতে কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) নিয়ম, ২০০৭ৰ বিধানৰ প্ৰতি লক্ষ্য ৰাখি উচ্চতম ন্যায়ালয়ে অনুচ্ছেদ ১৫ত তলত দিয়া কথাখিনি পৰ্যবেক্ষণ কৰিছিল :-

> "১৫. এইদৰে, ২০০০ চনৰ আইনখনৰ ধাৰা নং ২(কে), ২(এল), ৭-ক, ২০ আৰু ৪৯ৰ সৈতে কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) নিয়ম, ২০০৭ৰ নিয়ম নং ১২ আৰু ৯৮ একেলগে পৰ্যবেক্ষণ কৰিলে প্ৰকাশ পাব যে অপৰাধ সংঘটিত হোৱাৰ তাৰিখত যিসকল ব্যক্তিৰ বয়স ওঠৰ বছৰৰ তলৰ আছিল; যদিও ঘটনা সংঘটিত হোৱাৰ তাৰিখ ১-৪-২০০১ৰ আগৰ হয়; যদিও তেওঁলোকৰ ওঠৰ বছৰ হোৱাৰ পিছতহে কিশোৰ হোৱাৰ দাবী উত্থাপন কৰা হয়; যদিও অপৰাধ সংঘটিত হোৱাৰ তাৰিখ ২০০০ চনৰ আইনখন আৰম্ভ হোৱাৰ আগৰ হয় বা যদিও দোষী সাব্যস্ত হোৱাৰ পিছত শাস্তিৰ সন্মুখীন হৈ থকা অৱস্থাতে হওক, তেওঁলোকক কিশোৰ বা নাবালক হিচাপে গণ্য কৰা হ'ব। আমাৰ দৃষ্টিত, হৰি ৰাম বনাম ৰাজস্থান চৰকাৰ গোচৰৰ

ক্ষেত্ৰত এই ন্যায়ালয়ে শেহতীয়াকৈ দিয়া ৰায়ে আমাক সুৰক্ষা প্ৰদান কৰে।'

৭) (২০১১) ২ এছচিচি ২৫১ত প্ৰকাশিত লখন লাল বনাম বিহাৰ চৰকাৰ আৰু পাপ্‌পু লাল @ মনোজ কুমাৰ শ্ৰীবাস্তৱ বনাম বিহাৰ চৰকাৰ গোচৰত উচ্চতম ন্যায়ালয়ে একে প্ৰকৃতিৰ বিষয় এটাৰ সৈতে মোকাবিলা কৰাৰ সুযোগ পাইছিল। সেই ক্ষেত্ৰতো দুয়োজন আপীলকাৰীৰ গোচৰটো জিলা আৰু সত্ৰ ন্যায়াধীশে বিচাৰ কৰিছিল আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ লগতে ৩৪ৰ অধীনত তেওঁলোকক দোষী সাব্যস্ত কৰিছিল। অৱশ্যে, আপীলকাৰীয়ে আপীল আদালতৰ সন্মুখত কিশোৰ হোৱাৰ অজুহাত দেখুওৱাত, তদন্ত কৰা হল য'ত দেখা গৈছিল যে ঘটনাৰ তাৰিখত আপীলকাৰীসকলৰ বয়স ১৮ বছৰৰ তলত আছিল। ধৰমবীৰ গোচৰৰ ক্ষেত্ৰত পূৰ্বৰ সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি (ওপৰোক্ত) উচ্চতম ন্যায়ালয়ে তলত দিয়া ধৰণে মন্তব্য কৰিছে:-

"২৩. দুয়োজন আপীলকাৰীৰ বয়স এতিয়া ৪০ বছৰৰ ওপৰত আৰু সেয়েহে তেওঁলোকক 'বিশেষ ঘৰত' ৰখাটো উপযুক্ত নহ'ব। ইয়াৰ উপৰিও তেওঁলোকে ইতিমধ্যে তিনি বছৰৰ অধিক কাৰাদণ্ড ভুগিছে, যিটো ২০০০ চনৰ আইনৰ ১৫ নং ধাৰাত অনুমোদিত সৰ্বোচ্চ শাস্তি। এনে পৰিস্থিতিত, আপীলকাৰীসকলক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ লগতে ৩৪ৰ অধীনত অপৰাধৰ বাবে দোষী সাব্যস্ত কৰাটো বাহাল ৰাখিলেও, কিন্তু তেওঁলোকৰ শাস্তি বাতিল বা ৰদ কৰা হ'ল। তেওঁলোকক শীঘ্ৰে মুক্তি দিবলৈ নিৰ্দেশ

দিয়া হ’ল। শাস্তি বাতিল কৰাৰ ক্ষেত্ৰত দিয়া আমাৰ মতামতটো ধ্ৰান্বীৰ গোচৰত আদালতৰ একে ধৰণৰ ৰায়ৰ দ্বাৰা সমৰ্থিত।”

৮) আমি এইটোও লক্ষ্য কৰিছোঁ যে অন্তৰ্বৰ্তীকালীন আপীল (ফৌজদাৰী) নং ৭৮২/২০১৭ আবেদনত দিয়া ২৪-০৪-২০১৯ তাৰিখৰ আদেশৰ দ্বাৰা জামিনত মুক্তি পোৱাৰ পূৰ্বে, আপীলকাৰীয়ে ০২ বছৰ ১১ মাহতকৈ অধিক সময় কাৰাগাৰত কটাইছে। তদন্তৰ সময়ছোৱাতো আপীলকাৰীজন ৯০ দিন সময় কাৰাগাৰত আছিল আৰু আনকি বিচাৰৰ সময়ছোৱাতো ৫২ দিনৰ বাবে আপীলকাৰীজন জেলৰ জিম্মাত আছিল। যদি সেয়াই হয়, তেন্তে আপীলকাৰীজনে ওপৰোক্ত গোচৰ চলি থকা পৰিপ্ৰেক্ষিতত ন্যায়িক জিম্মাত ৩ (তিনি) বছৰতকৈয়ো অধিক সময় অতিবাহিত কৰিছে। তদুপৰি, তেওঁৰ জন্ম তাৰিখ অনুসৰি, আজি আপীলকাৰীজনৰ বয়স প্ৰায় ৪১ বছৰ হ'ব আৰু সেয়েহে, তেওঁক এতিয়া কিশোৰ ঘৰলৈ পঠোৱাটো বাস্তৱসন্মত সিদ্ধান্ত নহ'ব।লখন লাল (ওপৰোক্ত) গোচৰত উচ্চতম ন্যায়ালয়ৰ ৰায় আৰু এই গোচৰৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি মত প্ৰকাশ কৰিছো যে ১৯-০৫-২০১৫ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশৰ দ্বাৰা আপীলকাৰীক দিয়া কাৰাদণ্ডৰ শাস্তি বাতিল কৰা হওক আৰু তেওঁক মুক্তি দিয়া হওক।

সেই অনুসৰি আদেশ দিয়া হ’ল।

আপীলকাৰীক মুক্তি দিবলৈ নিৰ্দেশ দিয়া হ’ল।

সেই অনুসৰি এই আপীল নিষ্পত্তি কৰা হ’ল।

ন্যায়াধীশ ন্যায়াধীশ

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”